# লক্ষ্মীনন্দন বৰাৰ গল্পত প্ৰতিফলিত অসমীয়া গ্ৰামীণ সমাজৰ চিত্ৰণ

**Swagata Mahanta**

**Bhrigu Kumar Nath**

## সংক্ষিপ্তসাৰঃ

*অসমীয়া সাহিত্যৰ ভিন ভিন সাহিত্যিক বিধাসমূহৰ ভিতৰত ঊনবিংশ শতিকাৰ শেষ দশকত আত্মপ্ৰকাশ কৰা অসমীয়া চুটিগল্পৰ এটা সুদূৰপ্ৰসাৰী পৃষ্ঠভূমি আছে। জোনাকীৰ পাতত আৰম্ভ হৈ আৱাহন যুগৰ চুটিগল্পত প্ৰতিফলিত পাশ্চ্যাত্যৰ আদৰ্শ, দৰ্শন, পৰম্পৰাগত চিন্তা-চৰ্চা তথা ধ্যান ধাৰণাৰ বিপৰীতে ৰামধেনু যুগত ভাব প্ৰকাশৰ ন ন কৌশলেৰে অসমীয়া চুটিগল্পই শক্তিশালী ৰূপত প্ৰকাশ পাইছিল।মূলতঃ দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱে অসমৰ সামাজিক, ৰাজনৈতিক দিশত বিপ্লৱৰ সূচনা কৰাৰ সমান্তৰালভাৱে মানুহৰ নৈতিক, মানসিক, অৰ্থনৈতিক সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰিছিল। এই সময়ছোৱাত চুটিগল্পৰ আংগিক আৰু বিষয়বস্তুৰ ক্ষেত্ৰটো নতুনত্বৰ সূচনা হৈছিল। ২য় বিশ্বযুদ্ধৰ অভিজ্ঞতাই অসমীয়া সাহিত্যিকসকলক অধিক বাস্তৱবাদী আৰু সমাজৰ প্ৰতি সচেতন কৰি তুলিছিল। সেয়ে ৰামধেনু যুগত অসমীয়া চুটিগল্পই নতুন আংগিক, ৰচনাশৈলী, বিষয়বস্তু আৰু উপস্থাপনৰ নতুন শৈলীৰে গঢ় লৈ উঠিছিল। ৰামধেনু যুগত আত্মপ্ৰকাশ কৰা লক্ষ্মীনন্দন বৰা (১৯৩২-২০২১) স্বৰাজোত্তৰ কালৰ এজন প্ৰথিতযশা অসমীয়া গল্পকাৰ। তেওঁ ৰামধেনু আলোচনীৰ জৰিয়তে আত্মপ্ৰকাশ কৰি সাম্প্ৰতিক সময়ছোৱালৈকে সাহিত্য চৰ্চা কৰিছিল। অসমৰ গ্ৰামীণ সমাজৰ বাস্তৱ চিত্ৰ অংকন কৰা গল্পকাৰ লক্ষ্মীনন্দন বৰাই যথেষ্ট সংখ্যক গল্পৰে অসমীয়া গল্পৰ ভঁৰাল টনকিয়াল কৰি থৈগৈছে। তেওঁ গল্পৰ প্ৰধান বিষয়বস্তু হিচাপে গ্ৰাম্য সমাজৰসহজ-সৰল জীৱনক গ্ৰহণ কৰিছিল। এক নতুন দৃষ্টিভংগীৰে ব্যক্তি আৰু সমাজক প্ৰত্যক্ষ কৰিব বিচৰা লেখকসকলৰ ভিতৰত লক্ষ্মীনন্দন বৰা আছিলঅন্যতম।*

**সূচক শব্দ :** চুটিগল্প, লক্ষ্মীনন্দন বৰা, গ্ৰাম্যজীৱন, সমাজ, সখা দামোদৰ

### অৱতৰণিকাঃ

অসমীয়া চুটিগল্পৰ জন্ম আৰু বিকাশৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ আলোচনীসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। জোনাকী আলোচনীৰ মাজেৰে সৃষ্টি হোৱা অসমীয়া চুটিগল্পই ক্ৰমান্বয়ে বাঁহী (১৯০৯-১৯৪৫), আলোচনী (১৯১০-১৯১৭), মিলন (১৯২৩) আলোচনীলৈকে প্ৰায় একেটা ধাৰাৰে আগবাঢ়ি গৈ আৱাহন (১৯২৯)আলোচনীৰ পাতত এক নতুন মাত্ৰা লাভ কৰে। আৱাহন যুগৰ পিছত দ্বিতীয় বিশ্বযুদ্ধ, ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অন্যান্য ৰাজনৈতিক ঘটনাই সৃষ্টি কৰা নতুন বাতাৱৰণৰ মাজতে চল্লিশৰ দশকত *জয়ন্তী*আৰু পঞ্চাশৰ দশকত *ৰামধেনু* আলোচনীৰ জন্ম হয়। এই সময়ছোৱাৰ সৰ্বভাৰতীয় তথা বিশ্বৰ ৰাজনৈতিক অস্থিৰতাৰ হেতুকেই ১৯৪০-ৰপৰা অসমীয়া সাহিত্যৰ স্বৰূপ সলনি হ'বলৈ ধৰে। পূৰ্বৰ

ৰোমাণ্টিক সাহিত্যৰ ধাৰাৰপৰা ফালৰি কাটি অহা ৰামধেনু যুগৰ সাহিত্যৰ প্ৰধান বিষয়বস্তু আছিল বাস্তৱতা। দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত হোৱা মানুহৰ পৰিৱৰ্তিত মূল্যবোধ তথা দৰ্শন যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ মাজত ব্যাপক ৰূপত প্ৰতিফলিত হোৱা দেখা যায়। সামাজিক মূল্যবোধ, ধৰ্ম, আধ্যাত্মিকতা, পুৰণি সংস্কাৰ, অন্ধবিশ্বাস আদি সকলোৰে প্ৰতি হোৱা মানুহৰ পৰিৱৰ্তিত মানসিকতাই সাহিত্যত নতুনত্বৰ সূচনা কৰিছিল। অসমীয়া গল্পত পূৰ্বৰেপৰা প্ৰতিফলিত হৈ অহা সমাজ সচেতনতা এই যুগৰ গল্পৰো প্ৰধান বিশেষত্ব আছিল। কিন্তু এই যুগৰ সমাজ সচেতনতা আছিল গভীৰ বাস্তৱবাদী।

*ৰামধেনু* আলোচনীৰ পাতত আত্মপ্ৰকাশ কৰি সাম্প্ৰতিক সময়লৈকে সাহিত্য চৰ্চা কৰা লক্ষ্মীনন্দন বৰা অসমীয়া সাহিত্যৰ এজন প্ৰথিতযশা গল্পকাৰ। ৰামধেনুৰ পাতত প্ৰকাশিত 'ভাওনা' শীৰ্ষক গল্পটো তেওঁৰ প্ৰথম প্ৰকাশিত গল্প। তেওঁৰ গল্পসংকলন সমূহ হৈছে- ***আৰেশ ইন্দ্ৰজাল* (১৯৬৫), *দৃষ্টিৰূপা* (১৯৫৯), *সেই উতলা*(১৯৬০), *গৌৰীৰূপক* (১৯৬১), *গোপন গধূলি*(১৯৬১), *কাঁচিয়লীৰ কুঁৱলী* (১৯৬১), *এই ৰূপ এই ছন্দ* (১৯৬৩), *অচিন কইনা* (১৯৬৫), *দেৱতাৰ ব্যাধি* (১৯৬৬), *কঠিন মায়া* (১৯৬৬), *এৰা বাৰীৰ লেছেৰী* (১৯৮৩), *সেহি অনুৰাগে* (১৯৮৩), *মন মাটি মেঘএই গধূলি* (১৯৬৯)** ইত্যাদি।[১]

এজন লেখকৰ সৃষ্টিশীলতাক তেওঁ বাস কৰা সমাজখনে বিভিন্ন ধৰণে প্ৰভাৱিত কৰে। এই প্ৰভাৱসমূহ লেখকজনৰ লেখনীত প্ৰতিফলিত হয়। লক্ষ্মীনন্দন বৰাৰ গল্পবোৰৰ মাজত গাঁৱৰ মানুহৰ সৰলতা, সুন্দৰতা আদিৰ লগতে ৰাজনীতি, চৰকাৰী বিষয়াৰ উদ্ভগুালি, সামাজিক অনিয়ম, ভ্ৰষ্টাচাৰ, দুৰ্নীতিগ্ৰস্ত মন্ত্ৰীৰ ভোটৰ লালসা ইত্যাদিৰে গঢ় লৈ উঠা চহৰীয়া সমাজখনৰ কথাও পোৱা যায়। শৈলেন ভৰালীৰ মতে, অসমৰ গ্ৰাম্য জীৱনৰ চিত্ৰ হুবহু বাস্তৱ ৰূপত দাঙি ধৰিছে লক্ষ্মীনন্দন বৰাই। বৰাৰ গল্পত আছে গাঁৱৰ প্ৰাকৃতিক পৰিৱেশৰ নিখুঁত বৰ্ণনাৰ লগতে গাঁৱলীয়া চহা মানুহৰ জীৱনত ঘটা সৰু-সুৰা ঘটনাৰ সজীৱ বৰ্ণনা।[২]ৰামধেনু যুগৰ গল্পৰ দুটা প্ৰধান বিশেষত্ব গ্ৰাম্য জীৱনৰ কথকতা আৰু নাগৰিক জীৱনৰ জটিল জীৱনবোধৰ প্ৰকাশ বৰাৰ গল্পৰো দুটা প্ৰধান বৈশিষ্ট্য। ৰামধেনু যুগৰ এই দুই আদৰ্শক কেন্দ্ৰ কৰিয়েই পৰৱৰ্তী সময়ত বহু গল্পকাৰ পৰিচালিত হৈছে। লক্ষ্মীনন্দন বৰাই ৰামধেনু পৰৱৰ্তী সময়ছোৱাতো গল্প লিখিছে যদিও তেওঁক মূলতঃ ৰামধেনু যুগৰ গল্পকাৰ বুলিহে অভিহিত কৰিব পৰা যায়।

সাহিত্যচৰ্চাৰ ক্ষেত্ৰত গ্ৰাম্যসমাজৰ পৰা পোৱা অভিজ্ঞতাই লক্ষ্মীনন্দন বৰাক যথেষ্ট প্ৰভাৱিত কৰিছিল। সেয়ে কলিকতাত থকা সময়ছোৱাতো অসমৰ গ্ৰাম্য সমাজখনে তেওঁক আকৰ্ষণ কৰিছিল। তেওঁৰ সৃষ্টিৰ মাজত এই গ্ৰামীণ সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ জীৱনৰ প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। লক্ষ্মীনন্দন বৰা তেওঁৰ ঘৰৰ কাষতে থকা সোণাই নদীখনৰ পাৰত বাস কৰা মানুহখিনিৰ জীৱনৰ পৰা যথেষ্ট অনুপ্ৰাণিত হৈছিল। সেয়ে তেওঁৰ বিভিন্ন গল্পৰ মাজত সোণাই নৈৰ প্ৰসংগৰ উল্লেখ পোৱা যায়।

লক্ষ্মীনন্দন বৰাই তেওঁৰ গল্পৰ প্ৰসংগত কৈছে যে- "মই গল্প লিখোঁতে ঘটনা বা কাহিনীয়ে আকৰ্ষণ কৰে। গল্প এটা লিখা সময়খিনিতকৈ পৰিকল্পনা কৰা বা ভবা সময়খিনি মোৰ বেছি ভাল লাগে। সমাজত লাভ কৰা অভিজ্ঞতা, বিশেষ ঘটনা বা বাস্তৱ জীৱনৰ চৰিত্ৰই মোক প্ৰেৰণা যোগায়। কাহিনী, চৰিত্ৰ, পৰিৱেশ আৰু ৰচনাৰ ষ্টাইল -এই চাৰিওটাৰ ভিতৰত এটা সুন্দৰ সমন্বয় স্থাপন কৰিব পাৰিলেহে এটা ভাল গল্প হ'ল বুলি ভাবো। সেইবাবে মোৰ সামৰ্থ্যৰে মই চাৰিওটাৰ ভিতৰত harmony ৰাখিবলৈ যত্ন কৰোঁ।[৩]

লক্ষ্মীনন্দন বৰাৰ গল্প আঙ্গিক কৌশলৰ দিশত অতি সফল। প্ৰহ্লাদ কুমাৰ বৰুৱাই লক্ষ্মীনন্দন বৰাৰ গল্পৰ প্ৰসংগত কৈছে যে, বৰ্ণনাধৰ্মিতাৰ দিশত লক্ষ্মীনন্দন বৰাৰ গল্প ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সমধৰ্মী।[৪]বৰাৰ গল্প বৰ্ণনাধৰ্মী; কিন্তু ইয়াত অনাৱশ্যক বৰ্ণনাৰ আতিশয্যৰ দোষ নাই। সেইবাবে বৰাৰ গল্পতঘটনাৰ একমুখিতা আৰু পৰিণতিৰ ঐক্য ৰক্ষা হোৱা দেখা যায়।

**লক্ষ্মীনন্দন বৰাৰ গল্পৰ কাহিনীঃ**

লক্ষ্মীনন্দন বৰাৰ আৰম্ভণি সময়ছোৱাৰ গল্পবোৰৰ মাজত গাঁৱলীয়া সমাজখনৰ নিভাঁজ সৰলতাবোৰ অধিক দেখিবলৈ পোৱা যায়। তেওঁ অসমৰ গ্ৰামীণ জীৱনৰ লগতে প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা, গাঁৱলীয়া চহা মানুহৰ জীৱনৰ মাজেৰে গ্ৰাম্য জীৱনৰ কথকতা প্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ছোৱাত তেওঁ নগৰ কেন্দ্ৰিক জীৱনৰ আধাৰত গল্প লিখিছে যদিও তাৰ মাজত গাঁৱলীয়া মধ্যবিত্ত শ্ৰেণীৰ গ্ৰামীণ চেতনা প্ৰকাশ পাইছে। গল্পকাৰে নগৰীয়া পটভূমিত লিখা গল্পৰ মাজেৰে নগৰীয়া মানুহৰ জটিলতা প্ৰকাশ কৰাৰ লগতে মানুহৰ সহজাত ভাৱ-অনুভূতিৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। উপেন্দ্ৰ নাথ শৰ্মাৰ মতে, "লক্ষ্মীনন্দন বৰাৰ গল্পত গাঁৱৰ সুখ, দুখ, হাঁহি, কান্দোনমিহলি জীৱনৰ প্ৰত্যক্ষদৰ্শী দৃষ্টিভংগীৰে কৰা মূল্যায়নৰ খতিয়ান আছে। গাঁৱলীয়া চহা মানুহ বা মাছমৰীয়াৰ সহজ-সৰল জীৱনত ঘটা সৰু-সুৰা ঘটনা, তেওঁলোকৰ জীৱন-ধাৰণৰ সমস্যা আৰু খুতি-নাতি, দয়া-মমতা আৰু প্ৰেম আদি তেওঁ পাহৰিব নোৱাৰাকৈ অংকিত কৰিছে। স্বৰাজোত্তৰ কালৰ পৰিৱৰ্তনসমূহে কেনেকৈ অনিবাৰ্যভাৱে এই সৰল জীৱনৰ ওপৰত ক্ৰিয়া কৰি এখন জীৱন্ত সমাজক ভাঙোনমুখী কৰিছে তাৰ পৰিচয়ো বৰাৰ গল্পত আছে।"[৫]

লক্ষ্মীনন্দন বৰাৰ গল্পৰ প্ৰধান বিশেষত্বই হ'ল-গ্ৰাম্য সমাজৰ চিত্ৰ উজ্জ্বল ৰূপত অংকন। তেওঁৰ প্ৰথম সময়ছোৱাৰ প্ৰায়ভাগ গল্পতে এই চিত্ৰখন খুবেই সুন্দৰ ৰূপত প্ৰকাশিত হৈছে। 'সখা দামোদৰ' গল্পটোত অসমীয়া কৃষিপ্ৰধান সমাজখনৰ চিত্ৰণ কৰাৰ সমান্তৰালভাৱে অসমীয়া সমাজখনত খেতিৰ প্ৰধান আহিলা গৰুৰ সৈতে মানুহৰ সম্পৰ্কৰ জৰিয়তে গ্ৰামীণ সমাজখনত মানুহৰ সৈতে জীৱ-জন্তু আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্পৰ্কটো দেখুৱাইছে। গল্পটোত চৰিত্ৰৰ জীৱনৰ সংঘাতৰ মাজেৰে গ্ৰামীণ সমাজৰ সৰলতা, বিশ্বাস তথা সাধাৰণ শ্ৰেণীৰ মানুহৰ মনৰ সুখ-দুখ, আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটিছে। তদুপৰি গল্পটোৰ মাজেৰে প্ৰকৃতি নিৰ্ভৰশীল অসমৰ গ্ৰাম্য অৰ্থনীতিত খেতিৰ সৈতে গাঁৱলীয়া মানুহৰ

সম্পৰ্ক, ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, উৎসৱ-পাৰ্বণ আদিৰ মাজেৰে অসমৰ কৃষিভিত্তিক গ্ৰাম্য জীৱনৰ ছবিখনো প্ৰকাশ পাইছে।সখা দামোদৰ গল্পটোত কৃষিভিত্তিক জীৱনৰ সাৰ্থক প্ৰতিফলন ঘটিছে। খেতি কৰি জীৱন নিৰ্বাহ কৰা মুকুট চৰিত্ৰটোৰ মাজেৰে কৃষিজীৱী গ্ৰাম্য সমাজখনৰ সুন্দৰ চিত্ৰ অংকিত হৈছে। গল্পটোত কথা প্ৰসংগত দিয়া সংলাপৰ মাজেৰে গল্পকাৰৰ নিজস্ব মতাদৰ্শৰেই প্ৰতিফলন ঘটিছে।

*হেৰ', খেতিয়কৰ সমান কোন হ'ব পাৰে? আমিহে দেশখনক খুৱাইছোঁ। আমি নহ'লে সেই টাউন-গাঁৱৰ আটক ধুনীয়া বাবুবোৰে খাবলৈ নাপাব। (সখা দামোদৰ, পৃ:২৩৯)*

তেওঁৰ সখা দামোদৰ গল্পটো কৃষিজীৱী সমাজৰ গ্ৰাম্যজীৱনৰ বহুৰঙী চিত্ৰণৰ সুন্দৰ প্ৰকাশ বুলিব পাৰি। তেওঁৰ ভাওনা, সম্পত্তিৰ বাপেক আদি গল্পৰ মাজেদিও গ্ৰামীণ সমাজৰ বাস্তৱ চিত্ৰ অংকিত হৈছে।সখা দামোদৰগল্পটোৰ মাজেৰে অসমৰ গ্ৰামীণ অৰ্থনীতিৰ চিত্ৰখন ফুঁটাই তুলিছে।তেওঁগল্পটোৰ মাজেৰে ক্ৰমবৰ্ধিত অভাৱ-অনাটনৰ ফলত সুখ-শান্তি লুপ্ত হৈ অহা মানুহৰ জীৱনৰ বাস্তৱ কাহিনী প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। গ্ৰাম্য অৰ্থনীতিলৈ অহা বিভিন্ন প্ৰত্যাহ্বানৰ কথাও গল্পটোৰ মাজেৰে প্ৰকাশিত হৈছে। ইয়াত খেতি আৰু চাকৰিৰ মাজৰ যি বৈপৰীত্যৰ কথা বৰ্ণনা কৰিছে, তাৰ মাজেৰে গ্ৰামীণ সমাজখন কিদৰে নিজৰ সংস্কৃতিৰ সৈতে জড়িত হৈ আত্মসন্তুষ্টি লাভ কৰে তাৰ বিষয়ে কৈছে।

লক্ষ্মীনন্দন বৰাৰ গল্পত প্ৰকাশিত দুটা বিপৰীত কথাবস্তুৰ সংমিশ্ৰিত চিত্ৰই তেওঁৰ গল্পসমূহক এক অন্য মাত্ৰা প্ৰদান কৰে। সখা দামোদৰ গল্পটোৰ মাজেৰে গল্পকাৰে বিভিন্ন স্তৰৰযুগ্ম বৈপৰীত্যৰ ছবিখন স্পষ্টভাৱে দেখুওৱা পৰিলক্ষিত হয়। ইয়াত চৰিত্ৰবোৰৰ মাজেৰে ধনী আৰু দুখীয়াৰ মাজৰ দুখন বিপৰীতধৰ্মী ছবিফুটাই তুলিছে। আনহাতে একেসময়তে শাসক আৰু শোষিতৰ মাজৰ বিভাজনটোও স্পষ্ট ৰূপত প্ৰকাশ পাইছে। উদাহৰণস্বৰূপে-

*সি সিহঁতক নেবেচো বুলি ডেৰ বছৰ ৰাখিলে। অনেক অসুবিধাতো বহুত মন বান্ধিলে। কিন্তু শেষত উপায় হেৰাই গ'ল। বতাহে ঘৰটোও ভাঙিলে। সিফালে খাবলৈ ধানে নোজোৰে। আধিলৈকো মাটি পাবলৈ নাই। কৰ্ণ মৌজাদাৰৰ বিৰাশী পুৰা মাটি। তাক আধিলৈ দুপুৰমান দিব পাৰিলেহেঁতেন কিন্তু আজি-কালি তেওঁ মৈমনচিঙীয়া 'কামলা' লগাই নিজে খেতি কৰায়। দুবছৰমান খেতি কৰাৰ পাছত নতুন আইন মতে মাটি আধি খোৱাটোৰ হৈ যাব বুলি ভয় কৰে।*

লক্ষ্মীনন্দন বৰাৰ ভালেমান চৰিত্ৰৰ মাজত বৈপৰীত্যৰ প্ৰতিফলন দেখা যায়। সখা দামোদৰ গল্পৰ দৰে সম্পত্তিৰ বাপেক গল্পটোৰ মাজতো গাঁৱৰ মানুহৰ হৃদয়হীনতা আৰু হলধৰ চৰিত্ৰৰ সৰলতাৰ মাজত বৈপৰীত্য প্ৰকাশ পাইছে। একেদৰে হোদোৰ পণ্ডিত গল্পটোত ভকতৰাম ঠিকাদাৰ, ভবেন বৰুৱাৰ দৰে সুবিধাবাদী, স্বাৰ্থপৰ সমাজৰ জটিল মানসিকতাৰ ব্যক্তিৰ বিপৰীতে হোদোৰ পণ্ডিতৰ চৰিত্ৰৰ মাজেৰে সৰলতাৰ প্ৰকাশ কৰিছে।

এৰাবাৰীৰ লেছেৰিত গল্পকাৰে গাঁৱলীয়া সমাজৰ বিভিন্ন ৰীতি-নীতি, নিয়ম-কানুনৰ বৰ্ণনাৰ মাজেৰে সেই সময়ৰ সমাজৰ সৈতে থকা নিবিড় সম্পৰ্ককে দাঙি ধৰিছে। অন্ধবিশ্বাস, কু-সংস্কাৰেৰে পূৰ্ণ অসমীয়া গ্ৰাম্য জীৱনৰ ছবিখনো তেওঁ গল্পত প্ৰকাশ কৰি এইবোৰৰ বিৰোধিতা কৰিছে। এৰাবাৰীৰ লেছেৰি গল্পটোৰ মাজেৰে এগৰাকী দুৰ্ভগীয়া নাৰীৰ হৃদয়বিদাৰক জীৱন কাহিনী উত্থাপন কৰিছে। গল্পটোত বিয়াৰ কিছুদিনৰ পাছতেই বিধৱাহোৱা গোসাঁই পৰিয়ালৰ বোৱাৰী ৰজিতাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ মাজত জীৱন অতিবাহিত কৰিছিল। কিন্তু জৈৱিক তাড়নাৰ বশৱৰ্তী হৈ ৰজিতাই কলিতা ঘৰৰ ল'ৰা চন্দনৰ সৈতে গোপনভাৱে মিলিত হোৱাৰ ফলস্বৰূপে চন্দন আৰু ৰজিতা দুয়োজনকে সমাজে মৃত্যুদণ্ড দিছিল। গল্পটোত প্ৰেমৰ অকৃত্ৰিম প্ৰকাশ দেখিবলৈ পোৱা যায়। তদুপৰি যৌন জীৱনৰ মুক্ত প্ৰকাশৰ লগতে জৈৱিক বাসনাৰ তীব্ৰতা তেওঁৰ গল্পৰ চৰিত্ৰৰ মাজৰে প্ৰকাশ পাইছে।

লক্ষ্মীনন্দন বৰাৰ গল্পত অসমীয়া গ্ৰামীণ সমাজখনৰ লগতে অসমীয়া সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন উপাদানে প্ৰাধান্য লাভ কৰিছে। তেওঁৰ গল্পত সত্ৰীয়া পৰম্পৰা, ভাওনা-সবাহ, গাঁৱলীয়া জীৱনৰ উৎসৱৰ মাজেৰে অসমৰ সাংস্কৃতিক ঐতিহ্য প্ৰতিফলিত হৈছে। তদুপৰি তেওঁ গল্পৰ মাজত ঘোষা-পদ, বিহুগীত, ফকৰা-যোজনাৰ জৰিয়তে বৰ্ণনীয় বিষয়ক অধিক মনোগ্ৰাহী ৰূপত দাঙি ধৰিছে।

*ধিন দাওঁ দাওঁ ধিন দাওঁ দাওঁ, ধিন দাওঁ দাওঁ। বজুগুটিৰ মাক মৰিল কৰম খাবলৈ যাওঁ।" তাকে শুনি বজুগুটিৰ পুতেক চমনে তাৰ ভৰিত 'লেগ' মাৰি দিলে- পৈণত ফুটবল খেলুৱৈৰ কায়দাত। নালীয়া হামখুৰি খাই পৰিল আৰু অলপ আঁতৰলৈ গৈ মুখ ভেঙুচালি কৰি ক'লে-*

*ফুলমতী ফুলমতী ফুলৰ তলত ঘৰ।*

*ভদৰ কলা আহিছে, পানীলগা জ্বৰ।। (কাঁচিয়লিৰ কুঁৱলী)*

লক্ষ্মীনন্দন বৰাৰ গল্পবোৰত প্ৰতিফলিত এই উপাদানবোৰে লেখকৰ গল্পৰ পৰিৱেশ অংকনৰ বাবে প্ৰয়োজনীয় সমল হিচাপেও কাম কৰিছে। এই প্ৰসংগত ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে- "কিন্তু ক'তো ক'তো ফকৰা যোজনাই অধিক প্ৰয়োগ, খোল-মৃদংগৰ বোলৰ সঘন উল্লেখ আৰু বৈষ্ণৱ কবিসকলৰ পদৰ গল্পৰ স্বাভাৱিক গতিত আৰু ভাষাৰ লালিত্যত বাধাৰ সৃষ্টি কৰিছে।"[৬]

লক্ষ্মীনন্দন বৰাই গল্পত অসমীয়া গ্ৰামীণ সমাজৰ বিপৰীতে ভালেমান গল্প নগৰীয়া জীৱনৰ পটভূমিত সৃষ্টি কৰিছিল। যেনে- ব্যতিক্ৰম, হেমন্তৰ হিমে ধোৱা, সম্ভ্ৰম চেতনা, দালাল, সেহি অনুৰাগ, কোলাহল আদি। এ গল্পবোৰৰ মাজেৰে নগৰীয়া জীৱন-ধাৰণ প্ৰক্ৰিয়াই কিদৰে মানুহক আধুনিকতাৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে তাৰ বৰ্ণনা কৰিছে। হেমন্তৰ হিমে ধোৱা গল্পটোত মধ্যবিত্ত শ্ৰেণীক প্ৰতিনিধিত্ব কৰা সঞ্জয় আৰু স্বৰ্ণাৰ জীৱনযাত্ৰাৰ মাজত এই শ্ৰেণীটোৰ মানুহখিনিৰ বাস্তৱ জীৱনৰ চিত্ৰ প্ৰকাশ পাইছে। গল্পটোত কেৰাণীৰ চাকৰি কৰি ঘৰখন চলাই থকা সঞ্জয়ে মাহৰ শেষত দৰমহাৰ পইচাখিনিৰে ঘৰখন

চলাবলৈ অসুবিধাৰ সন্মুখীন হৈছে। গল্পটোত আৰ্থিক দুৰ্যোগেৰে জুৰুলা হোৱা মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালৰ জীৱনটোক ফুঁটাই তুলিছে।নগৰীয়া মানুহৰ জটিলতাৰ চিত্ৰখন প্ৰকাশ কৰোঁতে গল্পকাৰে মানুহৰ সহজাত ভাৱ অনুভূতিৰ ওপৰতো সমানে গুৰুত্ব আৰোপ কৰিছে। লক্ষ্মীনন্দন বৰাৰ হেমন্তৰ হিমে ধোৱা গল্পটোৰ মাজেৰে নগৰীয়া জীৱনধাৰাই কঢ়িয়াই অনা সাধাৰণ মানুহৰ ভাৱ চিন্তাৰ ছবিখন সুন্দৰ ৰূপত ফুঁটি উঠিছে।

লক্ষ্মীনন্দন বৰাৰ গল্পৰ আন এটা উল্লেখনীয় দিশ হৈছে তেওঁৰ গল্পত অসমৰ আধ্যাত্মিক ঐতিহ্যৰ অৱক্ষয়ৰ বিষয়ে উল্লেখ পোৱা যায়। যেনে- দেৱতাৰ ব্যাধি, গুৰুপৰ্ব আদি উল্লেখনীয় গল্প। এই গল্প দুটাত প্ৰকাশিত অৱক্ষয় ৰোধ কৰিবলৈ লেখকে পোনপটীয়াকৈ আহ্বান জনোৱা নাই। কিন্তু চৰিত্ৰ বা গল্পৰ পৰিণতিৰ মাজেৰেই এনে এক বক্তব্য ব্যঞ্জিত হৈ পৰিছে। গুৰু পৰ্ব গল্পটোত অভাৱ-অনাটনত জুৰুলা হৈ পৰা মুকুন্দ গোসাঁয়ে অনিচ্ছা স্বত্বেও পূৰ্বপুৰুষৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা গন্ধৰ্ববিদ্যা কোনো শিষ্যক সম্পূৰ্ণকৈ দান নকৰে। অৱশেষত মৰণৰ আগমুহূৰ্তত নিজৰ এই দুৰ্বলতাৰ বিষয়ে অকপটে শিষ্যৰ আগত স্বীকাৰ কৰি ৰাগ-তাল সম্পকীয় পুথিখনকে গতাই দি শান্তি লাভ কৰিছে।

*...আৰু এটা কথা শেষত কৈ থওঁ! সৌ চাংখনত থকা ৰাগ আৰু তালৰ সকলো কথা ফঁহিয়াই লিখি থোৱা পুথিভাগ মোৰ চিতাৰ জুই নুনুমুৱাৰ আগতেইএখেতেঘৰলৈ লৈ যাব। এই আমাৰ দুপুৰুষৰ আগতে এগৰাকী আতাই লিখি থৈ গৈছে। ল'ৰাটিয়ে তাৰেপৰা যি পাৰে শিকক। দেউ-বিদ্যাৰ বীজ এইদৰে দুজন-এজনত নৰ'লে, সংসাৰখন শুকান বালি হৈ পৰিব। (গুৰু-পৰ্ব)*

লক্ষ্মীনন্দন বৰাৰ গল্প কথনে সৰলৰৈখিক আৰু কালানুক্ৰমিক দিশেৰে গতি কৰা দেখা যায়। এয়া তেওঁৰ গল্পৰ এটা প্ৰধান বৈশিষ্ট্য। বৰ্ণনাৰ চাতুৰ্য্য আৰু শব্দ প্ৰয়োগৰ মাধুৰ্যৰ জৰিয়তে তেওঁ সূক্ষ্ম কথা এটাক কলাত্মক ভাৱে উপস্থাপন কৰে। তেওঁৰ গল্পত কথকৰ ভূমিকা দেখা যায়। কথকে তেওঁৰ গল্পত এটা অংগ হিচাপে গল্পৰ বক্তব্য বিষয় স্পষ্টৰূপত উপস্থাপন কৰে। লক্ষ্মীনন্দন বৰাৰ গল্পৰ এটা বৈশিষ্ট্য হ'ল যে, তেওঁৰ গল্পত কথকজন নিজেই এটা চৰিত্ৰ। তেওঁৰ গল্পৰ কথক সম্পৰ্কে প্ৰাঞ্জল শৰ্মা বশিষ্ঠই কৈছে যে- "জীৱন সম্বন্ধীয় কথাবোৰ বৰাই কথকৰ মুখেদি কোৱাইছে। গল্পসমূহ পঢ়িলে এনে লাগে যেন কথকে কোনো এক ঘৰুৱা আলাপত নিজে দেখা অভিজ্ঞতাৰ যথাযথ বৰ্ণনা দাঙি ধৰিছে। পিছে পোনপটীয়া আৰু যথাযথ যেন লগা এই বৰ্ণনা অতিকৈ আন্তৰিক হোৱাৰ গুণত তেনেকৈ আকৰ্ষণীয় হৈ উঠিছে।"[৭]

লক্ষ্মীনন্দন বৰাই গল্পৰ সৰলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ সম্পত্তিৰ বাপেক, সখা দামোদৰ, প্ৰেমদা পোহাৰী, হোদোৰ পণ্ডিত, সুৰা আৰু সুন্দৰী আদি গল্পবোৰৰ মাজত মানুহৰ সৰল প্ৰকৃতিৰ চিত্ৰবৰ্ণিত হৈছে। তদুপৰি, তেওঁৰ গল্পৰ মাজত একধৰণৰ বিশ্লেষণাত্মক সমালোচনাৰ দৃষ্টিভংগী প্ৰকাশ হোৱা দেখা যায়। সেয়ে তেওঁৰ প্ৰায়বোৰ গল্পৰ চৰিত্ৰ চিত্ৰণ বা পটভূমি নিৰ্মাণত যুক্তিপূৰ্ণ

মানসিকতা দেখা যায়। অসমৰ গ্ৰামীণ সমাজৰ মানুহৰ জীৱনৰ চিত্ৰণ তেওঁ গল্পত বস্তুনিষ্ঠভাৱে বাস্তৱ ৰূপত দাঙি ধৰিছিল। লক্ষ্মীনন্দন বৰাৰ গল্পসমূহ প্ৰধানতঃ বৰ্ণনাধৰ্মী। তেওঁ প্ৰতিটো গল্পৰ মাজেৰে আওপকীয়াকৈ সমাজ বাস্তৱতাৰ কথা কয়।

গল্পৰ কাহিনীৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একময়তা লক্ষ্মীনন্দন বৰাৰ গল্পৰ এটা প্ৰধান বৈশিষ্ট্য। তেওঁৰ গল্পত অপ্ৰয়োজনীয় ঘটনা আৰু পৰিস্থিতিৰ সংযোজন দেখা নাযায় যদিও প্ৰয়োজন সাপেক্ষে তেওঁৰ গল্পত বৰ্ণনাৰ বাহুল্য দেখিবলৈ পোৱা যায়। দৰাচলতে গল্পকাৰে গল্পকথনৰ জৰিয়তে তেওঁৰ জীৱন সম্পৰ্কীয় অভিজ্ঞতাৰ প্ৰকাশ, দাৰ্শনিক ভাৱ তথা গভীৰ জীৱনবোধৰ প্ৰকাশ কৰে। লক্ষ্মীনন্দন বৰাৰ গল্পত কোনো বিশেষ মতাদৰ্শৰ প্ৰভাৱ পৰিলক্ষিত নহয়। এই ক্ষেত্ৰতো লক্ষ্মীনন্দন বৰাৰ গল্প ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ সমধৰ্মী।[৮]

**লক্ষ্মীনন্দন বৰাৰ গল্পৰ চৰিত্ৰঃ**

লক্ষ্মীনন্দন বৰাৰ ভালেমান গল্পৰ মাজত অসমৰ গ্ৰামীণ সমাজৰ সহজ-সৰল পুৰুষ চৰিত্ৰ দেখিবলৈ পোৱা যায়। তেওঁৰ সম্পত্তিৰ বাপেক, হোদোৰ পণ্ডিত, সুৰা আৰু সুন্দৰী আদি গল্পৰ চৰিত্ৰৰ মাজেৰে মানুহৰ সৰলতাৰ সুযোগ লৈ কিদৰে একাংশ ভণ্ড, সুবিধাবাদী লোকে মানুহক হাৰাশাস্তি কৰিব পাৰে তাৰ বৰ্ণনা দিছে। উদাহৰণস্বৰূপে সুৰা আৰু সুন্দৰী গল্পটোত বলেন চৰিত্ৰটোৰ জীৱনৰ দুখ-দুৰ্দশাৰ বৰ্ণনাৰ মাজেৰে তেওঁৰ সৰলতাৰ সুযোগ লৈ সহকৰ্মী ৰমেশে তেওঁক মিছা অভিযোগত গ্ৰেপ্তাৰ কৰিছে।

লক্ষ্মীনন্দন বৰাৰ গল্পৰ চৰিত্ৰৰ মাজত সাধাৰণতে জটিল মানসিকতাৰ চৰিত্ৰৰ সমাৱেশ দেখা নাযায়। তেওঁৰ সখা দামোদৰগল্পটোৰ মূল চৰিত্ৰ মুকুটৰ জৰিয়তে অসমৰ গ্ৰামীণ কৃষিভিত্তিক সমাজ জীৱনৰ জটিলতা আৰু তাৰ অন্তৰালত লুকাই থকা জীৱনৰ সৌন্দৰ্যই সাৰ্থক ৰূপত প্ৰকাশ লাভ কৰিছে। সখা দামোদৰ গল্পৰ সন্দৰ্ভত ত্ৰৈলোক্য নাথ গোস্বামীয়ে কৈছে- "গল্পটোত মুকুটৰ মনৰ অশান্তি সৰু সুৰা দুই-চাৰিটা ঘটনাৰ মাজেদি কৰা হৈছে। বৰাৰ আন আন দুই-চাৰি গল্পতো চৰিত্ৰটোৱে এফালৰ পৰা নিজকে ভাৱৰ প্ৰবাহত উটুৱাই দিয়াৰ কাৰণে সেইবোৰ বিশ্লেষণতকৈ বিলাস যেনহে লাগে। 'সখা দামোদৰ'ত এইটো হোৱা নাই। চৰিত্ৰৰ কাৰ্যৰ লগত মুকুটৰ মানসিক অশান্তিৰ সংযোগ আছে।"[৯]

লক্ষ্মীনন্দন বৰাৰ গল্পত পুৰুষ চৰিত্ৰ সমান্তৰালভাৱে বিভিন্ন শ্ৰেণীৰ লগতে বিভিন্ন বৃত্তিত নিয়োজিত হৈ থকা নাৰী চৰিত্ৰৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। তেওঁৰ বিভিন্ন গল্পৰ মাজত সাধাৰণ গ্ৰামীণ সমাজৰ পৰম্পৰাগত ধ্যান-ধাৰণাৰে পুষ্ট নাৰী গৰাকীৰপৰা আদি কৰি শিক্ষয়িত্ৰী, অধ্যাপিকাৰ লগতে প্ৰগতিবাদী নাৰী চৰিত্ৰও দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে-লক্ষ্মীনন্দন বৰাৰ 'ভাওনা' শীৰ্ষক গল্পটোত দেখিবলৈ পোৱা ফুলেশ্বৰী নামৰ নাৰী চৰিত্ৰটোৰ মাজত সমসাময়িক অসমীয়া গ্ৰামীণ সমাজৰ এগৰাকী পৰম্পৰাগত নাৰীৰ প্ৰতিচ্ছবি দেখিবলৈ পাওঁ। আনহাতে 'সভ্ৰম চেতনা' শীৰ্ষক গল্পটোত তন্দ্ৰা

চৰিত্ৰটোৰ মাজেৰে নাৰী মনৰ মানৱীয়তা প্ৰকাশ পাইছে। তন্দ্ৰা চৰিত্ৰটো গল্পকাৰে আধুনিক চিন্তা-চেতনাৰে মানৱীয় চৰিত্ৰৰ ৰূপত সৃষ্টি কৰিছে। তেওঁৰ গল্পৰ এটা লক্ষণীয় দিশ হ'ল- প্ৰায়বোৰ নাৰী চৰিত্ৰ মূলতঃপুৰুষ কথকৰ দৃষ্টিৰে উপস্থাপন কৰা হৈছে। সেয়েহে নাৰী সম্পৰ্কীয় ধ্যান ধাৰণা বা নাৰী মনোজগতৰ সৈতে জড়িত বিশেষ বৰ্ণনা তেওঁৰ গল্পৰ মাজত পোৱা নাযায়। তদুপৰি কিছুমান গল্পত নাৰীৰ মানসিক দ্বন্দ্ব-অন্তৰ্দ্বন্দৰ চানেকি দেখা যায়। পৰম্পৰাগত নাৰী চৰিত্ৰৰ সমান্তৰালভাৱে আধুনিক নাৰীৰ সমাৱেশ তেওঁৰ গল্পত দেখিবলৈ পোৱা যায়। সখা দামোদৰ গল্পত 'ভানু' চৰিত্ৰটোৰ মাজেৰে গ্ৰাম্য সমাজৰ পৰম্পৰাগত নাৰী চৰিত্ৰৰ প্ৰতিফলন ঘটাৰ সমান্তৰালভাৱে সম্ভ্ৰম চেতনা গল্পৰ 'তন্দ্ৰা' এগৰাকী নাৰ্চ হোৱাৰ লগতে আধুনিক চৰিত্ৰ।

অবিবাহিতা নাৰীৰ দুখ-বেদনা, প্ৰাপ্তি-অপ্ৰাপ্তিৰ মুকলি উপস্থাপন তেওঁৰ গল্পত দেখা যায়। তেওঁৰ 'ৰীতা, গীতা, বিনীতা' গল্পত তিনিগৰাকী অবিবাহিত নাৰী চৰিত্ৰৰ মানসিক অৱস্থা সুন্দৰ ৰূপত অংকিত হৈছে। তেওঁৰ গল্পত দেহোপজীৱিনী নাৰীৰ গৃহিণী হোৱাৰ আকাংক্ষা বৰাৰ 'প্ৰেয়সী' গল্পৰ মাজেৰে প্ৰতিফলিত হৈছে। গল্পটোৰ মুখ্য চৰিত্ৰ 'ৰীমা'ৰ মানসিক অৱস্থা গল্পটোত প্ৰকাশ পাইছে এইদৰে, *মই ৰীমাও নহয়, মিছেছ কাকতিও নহয়। কিন্তু গৃহিণী হোৱাৰহে দুৰ্বাৰ বাসনা।(প্ৰেয়সী, পৃ:৫৪৭)*

বিবাহিত নাৰীৰ জীৱনৰ ভিন্ন দিশ সখা দামোদৰ গল্পৰ বিবাহিত নাৰী চৰিত্ৰ 'ভানু'ৰ স্বামী আৰু সন্তানৰ সৈতে এটা সুন্দৰ দাম্পত্য জীৱনৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াত ভানুৰ স্বামী মুকুটৰ প্ৰতি থকা স্নেহ, গৰুহালৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱা, সন্তান দুটিৰ প্ৰতি থকা মমতাৰ মাজেৰে এখন সৰল জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে।তেওঁ সমাজত নাৰীৰ জীৱনৰ দুখ-কষ্ট, সামাজিক অত্যাচাৰ, অৱহেলাৰ লগতে পুৰুষৰ দ্বাৰা নিৰ্যাতিত, ধৰ্ষিত নাৰী চৰিত্ৰৰ মাজেৰে নাৰীৰ ব্যক্তিগত প্ৰাপ্তি-অপ্ৰাপ্তি, আশা-আকাংশা, অনুভূতি, মানৱীয়তা, সাহসিকতাক গল্পত উপস্থাপন কৰিছে। তেওঁ গল্পত নাৰীৰ কামনা-বাসনাৰ মুকলিকৈ বৰ্ণনা কৰিছে। তদুপৰি তেওঁৰ প্ৰায়বোৰ গল্পতে দেহোপজীৱিনী চৰিত্ৰৰ মাজেৰে তেওঁলোকৰ জীৱনৰ মৰ্মগাঁথাৰ প্ৰকাশ কৰিছে। লক্ষ্মীনন্দন বৰাৰ 'ক্ষণিকা', 'ত্ৰৈৰাশিক', 'তিমিৰ তৰঙ্গ', 'প্ৰেয়সী' আদি গল্পত দেহোপজীৱিনী চৰিত্ৰই সেই বৃত্তিৰপৰা মূল সুঁতিলৈ ঘূৰি যোৱাৰ ইচ্ছা প্ৰকাশ কৰিছে। তেওঁৰ 'কঠিন মায়া' গল্পটোত অৰ্থনৈতিক তাড়ণাত অসৎ বৃত্তিত ঘূৰি ফুৰা দামিনী চৰিত্ৰটোৰ জৰিয়তে তাইৰ মাজত থকা মানৱীয়তাৰ পৰিচয় পোৱা যায়।

লক্ষ্মীনন্দন বৰাৰ ভালেমান গল্পত প্ৰতিবাদী নাৰী চৰিত্ৰৰ চিত্ৰণ দেখা যায়। উদাহৰণস্বৰূপে তেওঁৰ 'মনৰ পৰিধি' গল্পটোত জানকী চৰিত্ৰটো তেওঁ শক্তিশালী ৰূপত অংকন কৰিছে। গল্পটোত ধনী ঘৰৰ ল'ৰা শিৱকান্তৰ লগত বিয়া হোৱা জানকীয়ে স্বামীৰ পৰিয়ালৰ পৰম্পৰাগত ঠেক মানসিকতাৰ প্ৰত্যুত্তৰ হিচাপে বিয়াৰ আঙুঠিটো ঘূৰাই দি কৈছিল, *ককাই সিহঁতক ক'বি, দুখীয়াৰো মান-সন্মান গিয়ান আছে।*[১০] গল্পটোত

জানকী চৰিত্ৰটোৰ মাজেৰে গল্পকাৰে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। তেওঁৰ 'মৃগতৃষ্ণা' গল্পটোত ৰংপুই চৰিত্ৰটোৰ মাজেৰে তিৰোতাৰ বিচিত্ৰ ভাবনা প্ৰকাশ পাইছে। গল্পটোত যক্ষ্মাৰোগী মহীৰামৰ দ্বিতীয় পত্নী ৰংপুইৰ কানাই মহৰীৰ লগত থকা পৰকীয়া সম্পৰ্কৰ মাজেৰে গতি কৰিগল্পটোৰশেষত তিনিওটা চৰিত্ৰই নিজৰ ভুল স্বীকাৰ কৰা কাৰ্য্যই বিশেষ তাৎপৰ্য বহন কৰিছে।

**লক্ষ্মীনন্দন বৰাৰ গল্পৰ ভাষাঃ**

লক্ষ্মীনন্দন বৰাৰ গল্পৰ চৰিত্ৰৰ নামকৰণৰ ক্ষেত্ৰত গাঁৱলীয়া কথন ভংগী অনুসৰিয়েই চৰিত্ৰৰ নামকৰণ কৰা দেখা যায়। যেনে-

*গুণেশ্বৰৰ পুতেক পৰভাতে* (প্ৰভাত নহয়) *এনে এহাল গৰু কিনিছিল। (সখা দামোদৰ)*

*পৰফুলে (প্ৰফুল্ল) এইবাৰ 'এলপেৰি' পৰীক্ষা দিলেই। তাৰ পিছতেই তাৰ মুখত ইংৰাজী মাত ফুটিব। কোনে জানে তাৰ ভাইগত কি আছে? (কাঁচিয়লিৰ কুঁৱলী)*

তেওঁৰ গল্পত হিন্দী শব্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। যেনে- *ঘৰত ল'ৰা-তিৰোতা বহুত দুৰলা পৰি গ'ল। (সখা দামোদৰ)*

*আমি অল্পমতি হৈ সেইবোৰলৈ কাণসাৰ নিদি সময়ৰ মূৰত পস্তাও। (এৰাবাৰীৰ লেছেৰি)*

তদুপৰি লক্ষ্মীনন্দন বৰাৰ গল্পৰ মাজত কিছুমান কথিত অসমীয়া যুৱীয়া শব্দৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। যেনে- *এইৰ এইবোৰ ধূম ধূপালি কিহৰ? অভ্যাসৰ বলত?*

*কেতিয়াবা গৰুক ভালকৈ লোদোৰ পোদোৰকৰি বেচে। কাম বন নকৰাই তেজী কৰে। (সখা দামোদৰ)*

**সামৰণিঃ**

লক্ষ্মীনন্দন বৰাই সমসাময়িক সমাজৰ আধুনিকতাৰ বিপৰীতে সহজ-সৰল মনৰ মানুহৰ জীৱনক গল্পৰ জৰিয়তে প্ৰকাশ কৰিছিল। গ্ৰাম্য সমাজৰ চিত্ৰণ, মনস্তাত্বিক বিশ্লেষণ আৰু ব্যঙ্গ-বক্ৰোক্তিৰ উপাদান তেওঁৰ গল্পৰ সুকীয়া বৈশিষ্ট্য। লক্ষ্মীনন্দন বৰাৰ গল্পৰ চৰিত্ৰৰ মাজেৰে গ্ৰামীণ সমাজৰ সাধাৰণ মানুহৰ জীৱনৰ বিভিন্ন সৰু-ডাঙৰ ঘটনা, সমস্যাসমূহ উল্লেখ কৰিছে। তেওঁৰ গল্পত স্বৰাজোত্তৰ কালৰ পৰিৱৰ্তনসমূহে কিদৰে জীৱন্ত সমাজ এখনক ভাঙি পেলাইছে তাৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। তেওঁৰ সৰহভাগ গল্পই অসমৰ গাঁৱলীয়া জীৱনৰ পটভূমিত অংকিত। দৰাচলতে, গল্পত প্ৰতিফলিত গ্ৰাম্য সমাজখন তেওঁৰ বাস্তৱ অভিজ্ঞতাৰ প্ৰতিফলন। তেওঁৰ গল্পৰ কাহিনী, চৰিত্ৰ আৰু ভাষাৰ সৰলতাই সকলো শ্ৰেণীৰ পাঠককে গল্পৰ মাজলৈ টানি নিব পাৰে। তেওঁৰ গল্পত প্ৰতিফলিত সমাজখনত মূলতঃ মধ্য অসমৰ, বিশেষকৈ নগাঁও অঞ্চলৰ গ্ৰাম্য সমাজৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়। এই দিশৰপৰা

গল্পসমূহক আঞ্চলিকতাধৰ্মী বুলি ক'ব পৰা যায় যদিও গল্পৰ মাজেৰে ব্যঞ্জিত হোৱা সমস্যা, বক্তব্য আদি সাৰ্বজনীন। সূক্ষ্ম কথাবোৰৰ কলাত্মক উপস্থাপনে তেওঁৰ গল্পক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। বৰ্ণনা চাতুৰ্য আৰু শব্দ মাধুৰ্যৰ বাবে সাধাৰণ কাহিনী বা ঘটনা এটাই তেওঁৰ গল্পত অসাধাৰণ হৈ পৰে। তেওঁৰ গল্প কথনৰ গতিও সৰলৰৈখিক আৰু কালানুক্ৰমিক। সৰস ভাৱে কাহিনী কোৱাৰ প্ৰৱণতাৰ বাবে তেওঁৰ বৰ্ণনাবোৰ আৰু অধিক আন্তৰিক। বৰাৰ গল্পৰ কিছু কিছু ঠাইত বৰ্ণনাৰ বাহুল্য দেখা যায় যদিও সেয়া অনাৱশ্যকীয় নহয়। অপ্ৰয়োজনীয় ঘটনা আৰু পৰিস্থিতিৰ সংযোজন তেওঁৰ গল্পত সাধাৰণতে দেখা নাযায়। এই সম্পৰ্কত ক'ব পাৰি যে লক্ষ্মীনন্দন বৰাৰ গল্প পাঠকৰ ৰসবোধ হোৱাকৈ সৰস।

**প্ৰসঙ্গসূত্ৰঃ**

১।বৰা, অপূৰ্ব *অসমীয়া চুটিগল্পঃ ঐতিহ্য আৰু বিৱৰ্তন*, পৃঃ ২৬৬

২।ভৰালী, শৈলেন (সম্পা), *শ্ৰেষ্ঠ অসমীয়া চুটিগল্প*, পৃ:২২

৩।শইকীয়া, নগেন (সম্পা), *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ, পৃঃ ১৬৫*

৪।বৰুৱা, প্ৰহ্লাদকুমাৰ, *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ২৯৫

৫।বৰগোহাঞি, হোমেন (সম্পা), *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)*, পৃঃ ৪৫৫

৬।গোস্বামী, ত্ৰৈলোক্যনাথ, *আধুনিক অসমীয়া সাহিত্য*, পৃ-১৯২

৭।বৰা,অপূৰ্ব, *অসমীয়া চুটিগল্পঃ ঐতিহ্য আৰু বিৱৰ্তন*, পৃঃ ২৬৪

৮।ঠাকুৰ, প্ৰাপ্তি, *ৰামধেনুৰ চুটিগল্প: বিচাৰ আৰু বিশ্লেষণ*, পৃঃ ২৫০

৯।গোস্বামী, ত্ৰৈলোক্যনাথ, *আধুনিক অসমীয়া সাহিত্য*, পৃ-১৯১

১০।জালান, গোপাল, *লক্ষ্মীনন্দন বৰাৰ চাৰিটা দশকৰ গল্প সমগ্ৰ, পৃঃ ২৮৩-২৮৪*

**সহায়ক গ্ৰন্থপঞ্জীঃ**

জালান, গোপাল। *লক্ষ্মীনন্দন বৰাৰ চাৰিটা দশকৰ গল্প সমগ্ৰ।* চিন্তামণি প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০০৭।

ঠাকুৰ, প্ৰাপ্তি। *ৰামধেনুৰ চুটিগল্প বিচাৰ আৰু বিশ্লেষণ*। ভৱানী বুক্‌ছ, ছেপ্তেম্বৰ ২০১২।

বৰগোহাঞি, হোমেন (সম্পা)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠখণ্ড)*। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম, ২০১২।

বৰা, অপূৰ্ব। *অসমীয়া চুটিগল্পঃ ঐতিহ্য আৰু বিৱৰ্তন*। বুকছ্ এণ্ড পাব্লিকেশ্বনছ, বেদকণ্ঠ সংস্কৰণ, ২০২৩।

বৰা, লক্ষ্মীনন্দন। *গল্প সমগ্ৰ*। চন্দ্ৰপ্ৰকাশ, প্ৰথম  প্ৰকাশ, ২০০৪।

বৰা, লীলাৱতী শইকীয়া। *অসমীয়া চুটিগল্পৰ প্ৰবাহ।* গুৱাহাটী ইউনিভাৰ্ছিটি প্ৰেছ, গুৱাহাটী পুনৰ সংস্কৰণ, ২০১৮।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। *অসমীয়া চুটিগল্পৰ অধ্যয়ন*। বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ১৯৯৫।

শইকীয়া, নগেন (সম্পা)। *আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ*। অসম সাহিত্য সভা, ১ম প্ৰকাশ ১৯৭৭।

ভৰালী, শৈলেন (সম্পা)। *শ্ৰেষ্ঠ অসমীয়া চুটিগল্প*। চন্দ্ৰ প্ৰকাশ। গুৱাহাটী, ২০১৪।